**আৱাহন যুগ আৰু ৰামধেনু যুগৰ গল্পৰাজিৰ এটি তুলনামূলক আলোচনা আগবঢ়োৱা।**

• সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ হাতত "জোনাকী" আলোচনীৰ পাতত জন্ম লাভ কৰা অসমীয়া চুটিগল্পই সম্পূৰ্ণৰূপে বিকাশ আৰু পৰিপুষ্টি লাভ কৰে পৰবৰ্তী আৱাহন, ৰামধেনু আদি আলোচনীৰ দ্বাৰা। জোনাকী যুগত সৃষ্টি হোৱা অসমীয়া চুটিগল্পৰ দ্বিতীয় স্তৰৰ আৰম্ভণি হয় ১৯২৯ চনত দীননাথ শৰ্মাৰ সম্পাদনাত প্ৰকাশিত "আৱাহন" আলোচনীৰ জৰিয়তে। সেই যুগৰ বহুকেইজন উল্লেখযোগ্য গল্পকাৰ নগেন্দ্ৰ নাৰায়ণ চৌধুৰী, লক্ষ্মীধৰ শৰ্মা, হলিৰাম ডেকা, মহীচন্দ্ৰ বৰা আদিয়ে যথেষ্ট সংখ্যাক গল্প ৰচনা কৰি অসমীয়া চুটিগল্পৰ ভৰালটি চহকী কৰে। "আৱাহন" আলোচনীৰ পৰৱৰ্তী সময়ত ১৯৫০ চনত প্ৰকাশিত "ৰামধেনু" আলোচনীৰ জৰিয়তও অসমীয়া চুটিগল্পলৈ ব্যাপক পৰিবৰ্তন আহে। এই যুগৰ চৈয়দ আব্দুল মালিক, ভবেন্দ্ৰ নাথ শইকীয়া, লক্ষ্মীনন্দন বৰা, সৌৰভ কুমাৰ চলিহা, হোমেন বৰগোহাঞি ইত্যাদি গল্পকাৰৰ গল্পৰ জৰিয়তে অসমীয়া পাঠকে নতুন ধাৰাৰ গল্পৰ সোৱাদ লাভ কৰে। এই দুয়োটা যুগৰে অসমীয়া চুটিগল্পই বিশেষ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল যদিও দুয়োটা যুগৰে চুটিগল্প ৰাজিৰ মাজত বহুতো সাদৃশ্য আৰু বৈসাদৃশ্যও পৰিলক্ষিত হয়। তলত তেনে সাদৃশ্য- বৈসাদৃশ্য সমূহৰ বিষয়ে আলোচনা কৰা হ'ল–

• **সাদৃশ্য:**

১. আৱাহন আৰু ৰামধেনু দুয়োটা যুগৰে গল্পকাৰ সকলৰ গল্পৰ মাজেৰে সমাজ সচেতনতা আৰু সামাজিক দায়বদ্ধতাৰ দৃশ্য অতি সুন্দৰ ভাৱে ফুটিয়ে উঠা পৰিলক্ষিত হয়। দুয়োটা যুগৰে গল্পকাৰ সকলে তেওঁলোকৰ গল্পৰ মাজেৰে সেইসময়ৰ সমাজথনক পুৰণিকলীয়া কু-সংস্কাৰ, অন্ধবিশ্বাস আদিৰ কবলৰ পৰা উদ্ধাৰ কৰিবলে অপ্ৰাণ চেষ্টা চলাইছিল।

২. দুয়োটা যুগৰে গল্পকাৰ সকলে নাৰীৰ সামাজিক অৱস্থিতিৰ প্ৰতি বিশেষ গুৰুত্ব দিছিল। প্ৰাচীন কালৰ পৰা চলি অহা সামাজিক ৰীতি নীতি আৰু ধ্যান-ধাৰণাই নাৰীক আৱদ্ধ কৰি ৰখাটো দুয়োটা যুগেৰে নতুন মানসিকতাই বিচৰা নাছিল, আৰু এই দিশসমূহ দুয়োটা যুগেৰে গল্পকাৰ সকলে গল্পৰ মাজেৰে সুন্দৰ ভাৱে উপস্থাপন কৰিছে।

৩. আৱাহন আৰু ৰামধেনু দুয়োটা যুগেৰে গল্পকাৰ সকলকলৰ গল্পত মানৱীয় চেতনা পৰিস্থিতি হোৱা পৰিলক্ষিত হয়। দুয়োটা যুগেৰে গল্পকাৰ সকলকলৰ গল্পত সমাজৰ দৰিদ্ৰ শ্ৰেণীৰ প্ৰতি অনুকম্পা আৰু বিত্তবান লোকৰ পশু সুলভ মানসিকতায় প্ৰতি তীব্ৰ ঘৃণাৰ ভাৱ ফুটিয়ে উঠা দেখিবলৈ পোৱা গৈছিল।

৪. দুয়োটা যুগৰে গল্পকাৰ সকল আছিল প্ৰগতিশীল। যুগে যুগে সমাজৰ প্ৰগতিত কুসংস্কাৰ, অন্ধবিশ্বাস আদিয়ে প্ৰতিবন্ধনৰ সৃষ্টি কৰি আহিছে। এই কুসংস্কাৰ বোৰ নিৰ্মূল কৰি এখন প্ৰগতিশীল সমাজ গঢ়াৰ মানসিকতা দুয়োটা যুগৰে গল্পকাৰ সকলৰ গল্পত প্ৰতিফলিত হোৱা পৰিলক্ষিত হয়।

৫. দুয়োটা যুগৰে গল্পকাৰ সকলে হাস্যৰসাত্মক গল্প ৰচনা কৰি সমাজৰ বিভিন্ন দিশ সমূহ আঙুলিয়াই দিছিল।আৱাহন যুগত মহীচন্দ্ৰ বৰা, হলিৰাম ডেকা, লক্ষ্মীনাথ ফুকন ইত্যাদি আৰু ৰামধেনু যুগত সৌৰভ কুমাৰ চলিহা, মহিম বৰা, শীলভদ্ৰ আদি গল্পকাৰে অতি সাবলীল ভাৱে হাস্য- ব্যঙ্গৰ জৰিয়তে সমাজৰ বিভিন্ন দিশ উন্মোচন কৰিছিল।

•**বৈসাদৃশ্য:**

১. দ্বিতীয় বিশ্বযুদ্ধৰ প্ৰভাৱে সমগ্ৰ বিশ্বৰ লগতে অসমকো প্ৰভাৱিত কৰিছিল। এই সময়ছোৱাত সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক ব্যৱস্থাৰ লগতে মানৱীয় প্ৰমূল্যয়বোধৰো ব্যাপক পৰিবৰ্তন ঘটিছিল। যুদ্ধোত্তৰ যুগত প্ৰকাশিত ৰামধেনু আলোচনীৰ গল্পৰাজিও এই দিশ সমূহৰ দ্বাৰা বিশেষ ভাৱে প্ৰভাৱিত হৈছিল। আৱাহন যুগৰ গল্পত দেখা পোৱা ৰোমান্টিক ভাৱধাৰাৰ আৱেশ ৰামধেনু যুগত একেবাৰে লোপ পালে। তাৰ ঠাইত সম্পূৰ্ণ বাস্তববাদী ভাৱ ধাৰাৰে গল্প ৰচনা হ'বলৈ ধৰিলে। ৰামধেনু যুগৰ গল্পকাৰ সকলে সমাজৰ প্ৰতিটো দিশেই নিমৰ্ম ভাৱে গল্পৰাজিৰ মাজেৰে প্ৰতিফলিত কৰিলে।

২. সাহিত্যত সমাজচেতনা আৰু দায়বদ্ধতা সকলো যুগতে বৰ্তমান। পাৰ্থক্য মাথোন ইমানেই যুগ পৰিবৰ্তনৰ লগে লগে লেখকৰ সমাজ চেতনা আৰু দায়বদ্ধতাৰ লক্ষণসমূহ আৰু দৃষ্টিভংগী সলনি হয়। আৱাহন যুগৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু বৌদ্ধিক অৱস্থা অনুসৰি লেখক সকলৰ যেনে সমাজ চেতনা আৰু দায়বদ্ধতা ফুটি উঠিছিল, ৰামধেনু যুগত সেয়া একেদৰে নাথাকিল। আৱাহন যুগৰ লেখক সকলে যিবোৰ সামাজিক সমস্যাক তেওঁলোকৰ গল্পত স্হান দিছিল, পৰৱৰ্তী ৰামধেনু যুগত লেখক সকলে সেই বোৰক ঘটনাকে প্ৰায়ে আওকাণ কৰিবলৈ ধৰিলে।

৩. আৱাহন যুগত নাৰী মুক্তিৰ বিভিন্ন দিশত লেখক সকলে প্ৰধানকৈ গুৰুত্ব আৰোপ কৰিছিল। বাল্য বিবাহ, বিধবা বিবাহ আৰু পতিতা সকলৰ জীৱন গাথাকলৈ আৱাহন যুগত যথেষ্ট সংখ্যাক গল্প ৰচনা হৈছিল। কিন্তু ৰামধেনু যুগত গল্পকাৰ সকলে এইবোৰ সমস্যাক গল্পত স্হান দিয়া নাছিলে। এই সময়চোৱাত এনে কিছুমান অস্বাভাবিক নাৰী সম্পৰ্কিয় সমস্যাই দেখা দিছিলে, যি সমূহৰ বাবে বিধবা বিবাহ, বাল্য বিবাহ আদি বিষয় সমূহ গৌণ হৈ পৰিছিল।

৪. জোনাকী আৰু আৱাহন যুগৰ চুটিগল্পত প্ৰকাশ পোৱা মানৱতাবাদ আছিল ৰোমান্টিক ভাবাদৰ্শৰ উদাৰনৈতিক মানৱতাবাদ। কিন্তু দ্বিতীয় বিশ্বযুদ্ধৰ পাছত অসম তথা ভাৰতীয় মানুহৰ জীবনধাৰা সলনি হোৱাৰ ফলত যুদ্ধোত্তৰ যুগৰ গল্পৰাজিতো উদাৰনৈতিক মানৱতাবাদৰ ঠাইত মনঃসমীক্ষাত্মক মানৱতাবাদ আৰু বাস্তৱবাদী মানৱতাবাদহে ফুটি উঠিল। ফ্ৰয়েডীয় মনঃতত্ব, অস্তিত্ববাদ, অৱস্থিতিবাদ আদি ভাৱ-ধাৰায়েও ৰামধেনু যুগৰ গল্পৰাজিক যথেষ্ট প্ৰভাৱিত কৰিছিল।

৫. আৱাহন যুগৰ চুটিগল্পত দেখা পোৱা হাস্য ব্যঙ্গৰ গতি ৰামধেনু যুগত বহুখিনি সলনি হয়। আৱাহন যুগত অসমৰ সমাজখনৰ ন ন শিক্ষাৰে শিক্ষিত হোৱা শিক্ষিত শ্ৰেণীটোয়ে আধুনিকতাৰ নামত কৰা ভন্ডামী, উচ্চ শ্ৰেণীৰ আমেলা বিষয়াৰ দুৰ্নীতি আদিক লৈহে গল্পকাৰ সকলে গল্প ৰচনা কৰিছিল। ইয়াৰ বিপৰীতে ৰামধেনু যুগত ৰাজনৈতিক নেতা, পালি নেতা, মন্ত্ৰী, বিধায়ক ইত্যাদিক সমালোচনা কৰিহে গল্পকাৰ সকলে হাস্য ব্যঙ্গাত্মক গল্প ৰচনা কৰিছিল।

এইদৰে বিশ্লেষণ কৰি চালে আৱাহন আৰু ৰামধেনু যুগৰ চুটিগল্প সমূহৰ মাজত বিভিন্ন সাদৃশ্য- বৈসাদৃশ্য পৰিলক্ষিত হয়।